UG AS S6 04

(DSC)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্রম

(চি বি চি এচ; এন ই পি ২০২০ অনুসৰি)

ষষ্ঠ ষাণ্মাসিক

অসমীয়া গদ্য– ২

অসমীয়া

পদ্মনাথ গোহাঞিবৰুৱা মানৱিকী বিদ্যা অধ্যয়ন সত্র

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড০ দীপ্তি ফুকন পাটগিৰি, অধ্যাপক (অৱসৰপ্ৰাপ্ত), অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

ড০ বিমল মজুমদাৰ, অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

ড০ অনুৰাধা শর্মা, অধ্যাপক, আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

□□□□□□□□□□ □□□□□□□□□□□ :

ড০ সঞ্জীৱ ৰৱা, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	**লেখক**
১, ২, ৪, ৬	শাশ্বতী তালুকদাৰ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৩, ৫, ৭, ৯, ১১, ১২, ১৩, ১৪	ড০ মৃণাল জ্যোতি গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৮, ১০	কল্পজ্যোতি শ্যাম, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

সম্পাদনাঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা : **ড০ সঞ্জীৱ ৰৱা,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

ড০ মৃণাল জ্যোতি গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

গাঁথনিক সম্পাদনাঃ **শাশ্বতী তালুকদাৰ,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

কল্পজ্যোতি শ্যাম, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non-Commercial-Share Alike 4.0 License (international) http://creativecommons.org/licenses/by-nc-sa/4.0/

ISBN:

জুন, ২০২৬

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত

মুখ্য কার্যালয়ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী- ৭৮১ ০১৭

নগৰ চৌহদঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী ৭৮১ ০২২

বিষয়সূচী

অধ্যায়	পৃষ্ঠা
অধ্যায় ১ : আধুনিক অসমীয়া গদ্য অধুনিক অসমীয়া গদ্য : সাধাৰণ আলোচনা, বৈশিষ্ট্য	৭ - ১৩
অধ্যায় ২ : গদ্যকাৰ লক্ষ্মীনাথ বেজবৰুৱা লক্ষ্মীনাথ বেজবৰুৱা : জীৱন আৰু কৃতি, গদ্যকাৰ লক্ষ্মীনাথ বেজবৰুৱা	১৪ - ২০
অধ্যায় ৩ : লক্ষ্মীনাথ বেজবৰুৱা – অসমীয়াৰ বীৰত্ব অসমীয়াৰ বীৰত্ব : মূল পাঠ, বিষয়বস্তু, সাধাৰণ আলোচনা	২১ - ২৯
অধ্যায় ৪ : গদ্যকাৰ বাণীকান্ত কাকতি বাণীকান্ত কাকতিৰ জীৱন আৰু কৃতি : সাহিত্য সমালোচক হিচাপে বাণীকান্ত কাকতি, কাকতিৰ প্ৰবন্ধ শৈলীৰ বৈশিষ্ট্য	৩০ - ৩৭
অধ্যায় ৫ : বাণীকান্ত কাকতি – অংকীয়া ভাওনা ভাওনা – মূল পাঠ : প্ৰবন্ধটোৰ সাধাৰণ আলোচনা	৩৮ - ৪৭
অধ্যায় ৬ : গদ্যকাৰ লীলা গগৈ লীলা গগৈৰ জীৱন আৰু কৃতি : লীলা গগৈৰ গদ্য শৈলীৰ বৈশিষ্ট্য	৪৮ - ৫৪
অধ্যায় ৭ : লীলা গগৈ : সমন্বয়ৰ সংস্কৃতি অসমীয়া সমন্বয়ৰ সংস্কৃতি অসমীয়া : মূল পাঠ, সাধাৰণ আলোচনা	৫৫ - ৬৮
অধ্যায় ৮ : গদ্যকাৰ মহেশ্বৰ নেওগ মহেশ্বৰ নেওগ : জীৱন আৰু কৃতি, গদ্যকাৰ নেওগ আৰু গদ্যশৈলীৰ বৈশিষ্ট্য	৬৯ - ৭৯
অধ্যায় ৯ : মহেশ্বৰ নেওগ : নৱবৈষ্ণৱ ধৰ্মৰ পটভূমিকা, অসমৰ নৱবৈষ্ণৱ ধৰ্ম নৱবৈষ্ণৱ ধৰ্মৰ পটভূমিকা; অসমৰ নৱবৈষ্ণৱ ধৰ্ম : মূল পাঠ, সাধাৰণ আলোচনা	৮০ - ৯০

অধ্যায় ১০ : গদ্যকাৰ সত্যেন্দ্রনাথ শর্মা **৯১ - ৯৯**

সত্যেন্দ্রনাথ শর্মা : জীৱন আৰু কৃতি, গদ্যকাৰ সত্যেন্দ্রনাথ শর্মা আৰু তেওঁৰ গদ্যশৈলী

অধ্যায় ১১ : সত্যেন্দ্রনাথ শর্মা : ৰমন্যাসৰ যুগ **১০০ - ১১২**

ৰমন্যাসৰ যুগ : মূল পাঠ, সাধাৰণ আলোচনা

অধ্যায় ১২ : অসমীয়া চুটিগল্পৰ ধাৰা **১১৩ - ১২৭**

চুটিগল্প; অসমীয়া চুটিগল্পৰ উদ্ভৱ আৰু বিকাশৰ ধাৰা : প্রাৰম্ভিক যুগ, আৱাহন যুগ, যুদ্ধোত্তৰ যুগ বা ৰামধেনু যুগ, সাম্প্রতিক যুগ

অধ্যায় ১৩ : শৰৎ চন্দ্র গোস্বামী – নদৰাম **১২৮ - ১৪০**

শৰৎ চন্দ্র গোস্বামী : জীৱন আৰু কৃতি, গোস্বামীৰ গল্পৰ বৈশিষ্ট্যৰাজি আৰু মূল সুৰ; নদৰাম : গল্পটোৰ বিষয়বস্তু আৰু সাধাৰণ আলোচনা, চুটিগল্প হিচাপে নদৰাম

অধ্যায় ১৪ : মামণি ৰয়ছম গোস্বামী – সংস্কাৰ **১৪১ - ১৫৫**

মামণি ৰয়ছম গোস্বামী : জীৱন আৰু কৃতি, গল্পকাৰ হিচাপে মামণি ৰয়ছম গোস্বামী; সংস্কাৰ : সাধাৰণ আলোচনা, চৰিত্র-চিত্রণ

প্রসংগপুথি **১৫৬ - ১৫৮**

পাঠ্যবিষয়ৰ পৰিচয় : অসমীয়া গদ্য– ২

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে ২০২৩ বর্ষৰ পৰা চাৰি বছৰীয়া স্নাতক পাঠ্যক্রম (চি.বি.চি.এচ.; এন.ই.পি-২০২০ অনুসৰি) আগবঢ়াবই আছে। এই স্নাতক পাঠ্যক্রমত অসমীয়া বিষয়টি বুনিয়াদী আৰু বিষয় সম্পৰ্কীয় ঐচ্ছিক পাঠ্যবিষয় হিচাপেও প্রদান কৰা হৈছে। বুনিয়াদী বিষয় হিচাপে অধ্যয়ন কৰিব বিচৰাসকলে আঠটা ষাণ্মাসিকত মুঠ ২০ খন আৰু বিষয় সম্পৰ্কীয় ঐচ্ছিক পাঠ্যবিষয় হিচাপে অধ্যয়ন কৰিলে মুঠ ৮ খন পাঠ্যবিষয় অধ্যয়ন কৰিব লাগিব। এই পাঠ্যবিষয়টি প্রধান অসমীয়াৰ ষষ্ঠ ষাণ্মাসিকৰ চতুর্থ পাঠ্যবিষয় হিচাপে প্রস্তুত কৰা হৈছে। পাঠ্যবিষয়টিৰ নাম "অসমীয়া গদ্য– ২"। ইয়াৰ আগৰ পাঠ্যবিষয়টিত উদ্ভৱ কালৰ পৰা অৰুনোদয় যুগৰ অসমীয়া গদ্যৰ ধাৰাৰ লগতে কেইটিমান নির্বাচিত সাহিত্যপাঠ অধ্যয়ন কৰি আহিছোঁ। এই পাঠ্যবিষয়ত আমি আধুনিক অসমীয়া গদ্যৰ ধাৰাৰ লগতে কেইটিমান নির্বাচিত সাহিত্যপাঠ অধ্যয়ন কৰিম। এই দুয়োখন পাঠ্যবিষয়ৰ জৰিয়তে আমি সামগ্রিকভাৱে অসমীয়া গদ্যৰ ধাৰাটো অনুধাৱন কৰিব পাৰিম।

এই পাঠ্যবিষয়টিত মুঠ চৌধ্যটা অধ্যায় সন্নিৱিষ্ট কৰা হৈছে। প্রথম অধ্যায়ত আধুনিক অসমীয়া গদ্যৰ সাধাৰণ পৰিচয় আৰু ইয়াৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰা হৈছে। অৰুনোদয় যুগৰ পৰা বিকশিত হৈ অহা অসমীয়া গদ্যই আধুনিক যুগত নানান বিষয়, শৈলী আৰু সাহিত্যৰূপৰ মাজেৰে এক বহুমুখী ৰূপ লাভ কৰিছে। এই বহুমুখী ধাৰাৰ সামগ্রিক আভাস এই অধ্যায়ৰ জৰিয়তে লাভ কৰিব পাৰিব।

দ্বিতীয় অধ্যায়ত আধুনিক অসমীয়া সাহিত্যৰ অন্যতম প্রধান সাহিত্যিক লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন আৰু কৃতিৰ পৰিচয় দিয়া হৈছে। গদ্যকাৰ হিচাপে বেজবৰুৱাৰ স্থান, তেওঁৰ ভাষাৰীতি, ব্যংগ-ৰস, জাতীয় চেতনা আৰু চিন্তাশীল গদ্যৰ বৈশিষ্ট্য এই অধ্যায়ত আলোচনা কৰা হৈছে। তৃতীয় অধ্যায়ত বেজবৰুৱাৰ "অসমীয়াৰ বীৰত্ব" পাঠটোৰ মূল পাঠ, বিষয়বস্তু আৰু সাধাৰণ আলোচনা সন্নিৱিষ্ট কৰা হৈছে। এই পাঠটোৰ জৰিয়তে আপুনি বেজবৰুৱাৰ জাতীয় চেতনা, ঐতিহাসিক বোধ আৰু অসমীয়া জাতিসত্তাৰ প্রতি তেওঁৰ দৃষ্টিভংগী সম্পৰ্কে ধাৰণা লাভ কৰিব। চতুর্থ অধ্যায়ত বাণীকান্ত কাকতিৰ জীৱন আৰু সাহিত্যকৃতিৰ লগতে সাহিত্য সমালোচক হিচাপে তেওঁৰ অৱদান আলোচনা কৰা হৈছে। কাকতিৰ প্রবন্ধ শৈলীৰ বৈশিষ্ট্য, বিশ্লেষণধর্মী মনোভংগী আৰু পাণ্ডিত্যপূর্ণ গদ্যৰীতি এই অধ্যায়ৰ মুখ্য আলোচ্য বিষয়। পঞ্চম অধ্যায়ত বাণীকান্ত কাকতিৰ "অংকীয়া ভাওনা" শীর্ষক প্রবন্ধটোৰ মূল পাঠ আৰু সাধাৰণ আলোচনা আগবঢ়োৱা হৈছে। এই পাঠটোৰ জৰিয়তে অসমীয়া বৈষ্ণৱ নাট্য-পৰম্পৰা, ভাওনা সংস্কৃতি আৰু কাকতিৰ সমালোচনামূলক গদ্যৰীতি সম্পৰ্কে জানিব পাৰিব।

ষষ্ঠ অধ্যায়ত লীলা গগৈৰ জীৱন আৰু কৃতি, গদ্যশৈলী আৰু সাহিত্যিক অৱদান সম্পৰ্কে আলোচনা কৰা হৈছে। ইতিহাস, সংস্কৃতি আৰু সমাজ জীৱনৰ প্রতি লীলা গগৈৰ অনুসন্ধিৎসু দৃষ্টিভংগী তেওঁৰ গদ্যৰ এক বিশেষ বৈশিষ্ট্য। সপ্তম অধ্যায়ত তেওঁৰ 'সমন্বয়ৰ সংস্কৃতি অসমীয়া" পাঠটোৰ মূল পাঠ আৰু সাধাৰণ আলোচনা সন্নিৱিষ্ট কৰা হৈছে। এই পাঠৰ জৰিয়তে অসমীয়া সমাজ-সংস্কৃতিৰ সমন্বয়ধর্মী চৰিত্র, বহুসাংস্কৃতিক গঠন আৰু ঐতিহাসিক ভিত্তি সম্পৰ্কে এক স্পষ্ট ধাৰণা লাভ কৰিব পাৰিব।

অষ্টম অধ্যায়ত মহেশ্বৰ নেওগৰ জীৱন আৰু কৃতিৰ পৰিচয়ৰ লগতে গদ্যকাৰ হিচাপে তেওঁৰ স্থান আৰু গদ্যশৈলীৰ বৈশিষ্ট্য আলোচনা কৰা হৈছে। সাহিত্য, সংস্কৃতি, ধর্ম, ইতিহাস আৰু বৈষ্ণৱ অধ্যয়নৰ ক্ষেত্রত মহেশ্বৰ নেওগৰ গৱেষণামূলক অৱদান অসমীয়া গদ্যৰ বিকাশত বিশেষ তাৎপর্য বহন কৰে। নৱম অধ্যায়ত তেওঁৰ

‘নৱবৈষ্ণৱ ধর্মৰ পটভূমিকা, অসমৰ নৱবৈষ্ণৱ ধর্ম” পাঠটোৰ মূল পাঠ আৰু সাধাৰণ আলোচনা সন্নিৱিষ্ট কৰা হৈছে। এই পাঠটোৰ জৰিয়তে অসমৰ নৱবৈষ্ণৱ ধর্ম, ইয়াৰ ঐতিহাসিক পটভূমি আৰু সমাজ-সংস্কৃতিগত প্রভাৱ সম্পর্কে জানিব পাৰিব। দশম অধ্যায়ত সত্যেন্দ্রনাথ শর্মাৰ জীৱন আৰু কৃতিৰ লগতে গদ্যকাৰ হিচাপে তেওঁৰ অৱদান আৰু গদ্যশৈলী আলোচনা কৰা হৈছে। সাহিত্যৰ ইতিহাস-লেখন, যুগ-বিভাগ, তথ্যনিষ্ঠ আলোচনা আৰু বিশ্লেষণধর্মী উপস্থাপন তেওঁৰ গদ্যৰ প্রধান বৈশিষ্ট্য। একাদশ অধ্যায়ত তেওঁৰ “ৰমন্যাসৰ যুগ” পাঠটোৰ মূল পাঠ আৰু সাধাৰণ আলোচনা আগবঢ়োৱা হৈছে। এই পাঠটোৰ জৰিয়তে আপুনি অসমীয়া সাহিত্যত ৰমন্যাসধর্মী চেতনাৰ উদ্ভৱ, বিকাশ আৰু সাহিত্যিক তাৎপর্য সম্পর্কে অৱগত হ’ ব।

দ্বাদশ অধ্যায়ত অসমীয়া চুটিগল্পৰ ধাৰা সম্পর্কে আলোচনা কৰা হৈছে। চুটিগল্পৰ স্বৰূপ, অসমীয়া চুটিগল্পৰ উদ্ভৱ আৰু বিকাশৰ ধাৰা, প্রাৰম্ভিক যুগ, আৱাহন যুগ, যুদ্ধোত্তৰ যুগ বা ৰামধেনু যুগ আৰু সাম্প্রতিক যুগৰ বৈশিষ্ট্য এই অধ্যায়ত সন্নিৱিষ্ট কৰা হৈছে। ইয়াৰ জৰিয়তে আধুনিক অসমীয়া গদ্যৰ এক গুৰুত্বপূর্ণ সাহিত্যৰূপ হিচাপে চুটিগল্পৰ বিকাশ সম্পর্কে সামগ্রিক ধাৰণা লাভ কৰিব পাৰিব। ত্রয়োদশ অধ্যায়ত শৰৎ চন্দ্র গোস্বামীৰ জীৱন আৰু কৃতিৰ লগতে তেওঁৰ গল্পৰ বৈশিষ্ট্য আৰু মূল সুৰ সম্পর্কে আলোচনা কৰা হৈছে। এই অধ্যায়ত তেওঁৰ “নদৰাম” গল্পটোৰ বিষয়বস্তু, সাধাৰণ আলোচনা আৰু চুটিগল্প হিচাপে ইয়াৰ মূল্য বিশ্লেষণ কৰা হৈছে। চতুর্দশ অধ্যায়ত মামণি ৰয়ছম গোস্বামীৰ জীৱন আৰু কৃতি, গল্পকাৰ হিচাপে তেওঁৰ স্থান আৰু সাহিত্যিক বৈশিষ্ট্য আলোচনা কৰা হৈছে। এই অধ্যায়ত তেওঁৰ ‘সংস্কাৰ” গল্পটোৰ সাধাৰণ আলোচনা আৰু চৰিত্র-চিত্রণ সন্নিৱিষ্ট কৰা হৈছে। এই দুটা অধ্যায়ৰ জৰিয়তে আপুনি আধুনিক অসমীয়া চুটিগল্পৰ বিষয়বৈচিত্র্য, চৰিত্র-নির্মাণ, সামাজিক বাস্তৱতা আৰু শিল্পগুণ সম্পর্কে ধাৰণা লাভ কৰিব।

এইদৰে পাঠ্যবিষয়টিত আধুনিক অসমীয়া গদ্যৰ ইতিহাস, প্রবন্ধ-সাহিত্য, সমালোচনামূলক গদ্য, সংস্কৃতি-বিষয়ক গদ্য, ধর্ম-ইতিহাসকেন্দ্রিক গদ্য, সাহিত্য-ইতিহাসমূলক আলোচনা আৰু চুটিগল্পৰ দৰে বিভিন্ন ধাৰা একেলগে অন্তর্ভুক্ত কৰা হৈছে। নির্বাচিত গদ্যকাৰ আৰু পাঠসমূহৰ অধ্যয়নৰ জৰিয়তে আপুনি আধুনিক অসমীয়া গদ্যৰ বিষয়বস্তু, ভাষাশৈলী, চিন্তাধাৰা আৰু সাহিত্যিক বৈশিষ্ট্যসমূহ অনুধাৱন কৰিব পাৰিব।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিৱিষ্ট হৈছে। সেইদৰে – “জানি থোৱা ভাল” বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা ‘চিন্তা-চর্চা কৰক”সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, “অগ্রগতি নিৰীক্ষণ” যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া “অগ্রগতিৰ খতিয়ান”ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ’ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে “অধিক জানিবলৈ” শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৱথিস্বৰূপ। অধ্যায়বোৰৰ শেষত “আৰ্হি প্রশ্ন” হিচাপে কেইটিমান প্রশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। একেবাৰে শেষত “প্রসঙ্গ পুথি”ত যি কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যক্রমৰ অধ্যায়সমূহ প্রস্তুত কৰা হৈছে সেয়া একে লগে সন্নিৱিষ্ট কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ’লে সেইকেইখন পুথি অধ্যয়ন কৰিব পাৰিব।